**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰৰ মাজত সম্প্ৰতি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছে।

২। ভাৰত আৰু ফ্ৰান্সে বস্ত্ৰ আৰু ফেশ্বন খণ্ডত সহযোগিতা বৃদ্ধি কৰিবলৈ নতুন চুক্তিত স্বাক্ষৰ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ভাৰত বিশ্বৰ সৰ্ববৃহৎ যানবাহন উদ্যোগ হিচাপে পৰিগণিত হোৱাৰ থল আছে বুলি প্ৰকাশ কৰিছে।

৪। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম তিনি মাহত ভাৰতৰ মুঠ ঘৰৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৮ শতাংশ হৈছে।

আৰু

৫। কিদাম্বি শ্ৰীকান্তে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰৰ মাজত সম্প্ৰতি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়ক লৈ আলোচনা কৰিব। আলোচনাৰ অন্তত দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজঘাটত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

বেলজিয়ামৰ প্ৰধানমন্ত্ৰীগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱানিশা ৰাজধানী দিল্লীত উপস্থিত হৈছে। তেওঁৰ সৈতে বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী থিঅ’ ফ্ৰাংকেনো ভাৰতলৈ আহিছে। প্ৰধানমন্ত্ৰীগৰাকীৰ যোৱা ফেব্ৰুৱাৰীত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া প্ৰথম ভাৰত ভ্ৰমণ। প্ৰধানমন্ত্ৰী ৱেভাৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিৰ প্ৰেক্ষাপটত ভাৰতীয় ঔদ্যোগিক মহাসংঘৰ ব্যৱসায়িক কাৰ্যসূচীত ভাষণ দিব। এই ভ্ৰমণে ভাৰত আৰু বেলজিয়ামৰ অংশীদাৰিত্ব তথা সহযোগিতা বৃদ্ধি কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা তথা নৱীকৰণযোগ্য শক্তিকে ধৰি দ্বিপাক্ষিক বিভিন্ন বিষয়ত সহযোগিতা অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ভাৰত আৰু বেলজিয়ামে তিনি শতিকাৰো অধিক কালজুৰি ঐতিহাসিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আহিছে। ১৯৪৭ চনৰ ছেপ্তেম্বৰত ভাৰতৰ সৈতে কূটনৈতিক সম্পৰ্ক স্থাপন কৰা অগ্ৰণী ইউৰোপীয় দেশসমূহৰ ভিতৰত বেলজিয়াম অন্যতম আছিল। ইউৰোপত বেলজিয়াম ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অংশীদাৰ হিচাপে পৰিগণিত হৈছে আৰু ২০২৫-২৬ বৰ্ষত দেশখনৰ সৈতে দ্বিপাক্ষিক বাণিজ্য ১৩ বিলিয়ন ডলাৰৰো অধিক হৈছে।

০০০০০০০০

ভাৰত আৰু ফ্ৰান্সে গোলকীয় বজাৰত ভাৰতীয় বস্ত্ৰ আৰু কাৰুকাৰ্যৰ জনপ্ৰিয়কৰণ আৰু প্ৰসাৰৰ বাবে বস্ত্ৰ আৰু ফেশ্বন খণ্ডত পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিবলৈ নতুন চুক্তিত স্বাক্ষৰ কৰিছে। বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম শ্বামি ৰাওৰ উপস্থিতিত ভাৰত টেক্স বাণিজ্য সংস্থা, বি টি টি এফ আৰু ফ্ৰান্সৰ প্ৰিমিয়াৰ ভিজন ছ’চাইটী এন’নীমৰ মাজত চুক্তি স্বাক্ষৰ হয়। সামাজিক বাৰ্তাযোগে বস্ত্ৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই চুক্তিয়ে বস্ত্ৰৰ প্ৰদৰ্শনী আয়োজন, বজাৰ সংযোগ, বহনক্ষম উৎস সন্ধান আৰু জ্ঞান বিনিময়ৰ ক্ষেত্ৰত দেশ দুখনৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিব। ইপিনে ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন নিগম-এন এছ ডি চিয়েও বিশ্বৰ আগশাৰীৰ বস্ত্ৰ আৰু ফেচন সংস্থা- প্ৰিমিয়াৰ ভিজনৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছে। এই অনুষ্ঠানত লৈ দিয়া ভাষণত শ্ৰীৰাওৱে পৰম্পৰাৰ সৈতে কাৰুকাৰ্য, উদ্ভাৱন আৰু বহনক্ষমতাৰ সংমিশ্ৰণ ঘটা ভাৰতৰ বস্ত্ৰ খণ্ডৰ সামৰ্থ

আৰু সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ ভাৰত আৰু ফ্ৰান্সৰ বস্ত্ৰ খণ্ডত সহযোগিতাৰ বাবে ফ্ৰান্সৰ বিলাস উদ্যোগ, ক’মিটে কলবাৰ্টৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া বেনিডেক্ট এপিনেৰ সৈতেও আলোচনাত মিলিত হয়।

OOOOOOOO

পাৰস্পৰিক সন্মান আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ ভেঁটিত পুৰণিকালৰেপৰা ভাৰত আৰু বেলজিয়ামৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী THEO FRACKEN-ৰ সৈতে হোৱা প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মন্ত্ৰীগৰাকীয়ে কয়, যে দুয়োখন দেশ আইন আধাৰিত গোলকীয় ব্যৱস্থাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰী সিঙে কয়, যে সম্প্ৰতি সমগ্ৰ বিশ্ব বৃহৎ ভূ-ৰাজনৈতিক আৰু অৰ্থনৈতিক উত্থান-পতনৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত বেলজিয়ামৰ দৰে ঘনিষ্ঠ মিত্ৰ আৰু গুৰুত্বপূৰ্ণ সহযোগীৰ সৈতে হোৱা বৈঠকে বিচাৰ বিবেচনাৰ সাৰ্থক সুযোগ প্ৰদান কৰে।

বাইট (ৰাজনাথ)

বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী THEO FRACKEN -এ ভাৰতক অধিক জনসংখ্যা আৰু উন্নত প্ৰযুক্তিৰ দেশ বুলি অভিহিত কৰে। তেওঁ ভৱিষ্যতৰ প্ৰকল্পৰ বাবে বেলজিয়ামৰ সৈতে সহযোগিতাৰ পোষকতা কৰে। তেওঁ লগতে ভাৰত-বেলজিয়ামৰ মাজত বন্ধুত্ব আগুৱাই নিয়াত গুৰুত্ব আৰোপ কৰে।

বাইট (THEO FRACKEN)

বৈঠকত মন্ত্ৰীদ্বয়ে প্ৰতিৰক্ষা সহযোগিতা, উচ্চ পৰ্যায়ৰ ভ্ৰমণ, প্ৰশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধিৰ জৰিয়তে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সম্প্ৰসাৰণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। নেতা দুগৰাকীয়ে লগতে আঞ্চলিক শান্তি আৰু সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সামুদ্ৰিক সুৰক্ষা সহযোগিতাৰ আৱশ্যকতাৰ সপক্ষে মত পোষণ কৰে।

OOOOOOOO

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি উদ্ভাৱন, গুণগত মান আৰু প্ৰতিযোগিতামূলক মূল্যৰ দ্বাৰা নিৰ্ধাৰিত ভাৰত বিশ্বৰ অন্যতম যানবাহন উদ্যোগ হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। নতুন দিল্লীত ছ’চাইটী অব ইণ্ডিয়ান অটোমোবাইল মেনুফেকচাৰ্ছৰ ৬৪ সংখ্যক বাৰ্ষিক অধিবেশনত ভাষণ দি শ্ৰীগাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান ২২ দশমিক ৭-৫ লাখ কোটি টকাতকৈও অধিক মূল্যৰ অটোমোবাইল খণ্ডটোৱে দেশৰ জি এছ টি সংগ্ৰহৰ প্ৰায় ১৫ শতাংশ অহিৰণা যোগায়। ইয়াৰ লগতে এই খণ্ডটোৱে প্ৰায় ৪ কোটি প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপনৰ সুবিধা দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ অটোমোবাইল সামগ্ৰী ৰপ্তানি ২৪ শতাংশলৈ বৃদ্ধি হৈছে। অটোমোবাইল খণ্ডই ভাৰতৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত সহায় কৰিছে বুলিও শ্ৰীগাডকাৰীয়ে আস্থা প্ৰকাশ কৰে।

OOOOOOOO

২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকত ভাৰতৰ জি ডি পি ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি হৈ বিশ্বৰ দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে। আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কোৱাট্ৰাই নিউয়ৰ্কত এই কথা প্ৰকাশ কৰে।

শ্ৰীকোৱাট্ৰাই এপ্ৰিল-জুন ত্ৰিমাসিকৰ বাবে ভাৰতৰ শেহতীয়া জি ডি পি বৃদ্ধিৰ প্ৰসঙ্গ উত্থাপন কৰি কয় যে ভাৰতে বিশ্বৰ ভিতৰতে দ্ৰুত গতিত নিজৰ অৰ্থনৈতিক ধাৰা অব্যাহত ৰাখিছে।

২০৪৭ৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ভাৰতে আমেৰিকাৰ ব্যৱসায়ী, বিনিয়োগকাৰী আৰু বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে শক্তিশালী অংশীদাৰিত্ব স্থাপনৰ বাবে আগ্ৰহী বুলিও শ্ৰীকোৱাট্ৰাই প্ৰকাশ কৰে।

ভাৰত চৰকাৰৰ হৈ কালি বিনয় কোৱাট্ৰাই বিত্ত নিৰ্মলা সীতাৰমনৰ উপস্থিতিত নিউয়ৰ্কত কালি নাছডাকৰ ব্যৱসায়িক অধিবেশনত অংশগ্ৰহণ কৰে।

OOOOOOOO

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তম কুমাৰৰ জন্ম শতবৰ্ষ উপলক্ষে কিংবদন্তি অভিনেতা তথা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। এই উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে মহান অভিনেতাগৰাকীৰ বলিষ্ঠ অভিনয়ে প্ৰজন্ম প্ৰজন্ম ধৰি দৰ্শকসকলৰ মন জয় কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে আকাশবাণীযোগে যোৱা দেওবাৰে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত উত্তম কুমাৰ সন্দৰ্ভত কৰা মন্তব্যৰ এটা অংশও শ্বেয়াৰ কৰে।

oooooooo

ভাৰতৰ কিদাম্বি শ্ৰীকান্তে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ্ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীকান্তে আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত বিশ্বৰ নৱম স্থানৰ খেলুৱৈ কানাডাৰ ভিক্টৰ লাইক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

এইবছৰ ইউ এছ্ অ'পেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ  ফাইনেলত প্ৰৱেশ কৰা ৩৩ বছৰীয়া শ্ৰীকান্তে লাইক ২১-১৮, ২১-১৯ গেমত পৰাস্ত কৰে। শ্ৰীকান্ত কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ লী-চেক-য়িউৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ তনভি শৰ্মা মহিলাৰ ছিংগলছ্ৰ দ্বিতীয় ৰাউণ্ডত জাপানৰ তমকা মিয়াজাকিৰ হাতত ১৭-২১, ২১-১৮, ১৬-২১ গেমত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

oooooooo

সমাপ্ত